REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

Date : 03-11-2026
Time : 2125 HRS

ASSAMESE NIGHT BULLETIN

::

oooooooo

মন্ত্রীসভাই ৰাজ্যত পাঁচটা নতুন ৰুজ্জুপথ প্ৰকল্প নিৰ্মাণত অনুমোদন জনাইছে। মন্ত্রীসভাৰ বৈঠকৰ অন্তত মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মাই সংবাদ মাধ্যমৰ আগত আজি গুৱাহাটীত এই বিষয়ে সদৰি কৰে। তেওঁ কয় যে কামাখ্যা ৰে'ল ষ্টেচনৰ পৰা কামাখ্যা মন্দিৰলৈ, খানাপাৰাৰ পৰা গুৱাহাটী ৰে'ল ষ্টেচনলৈ, গংগা নগৰৰ পৰা ভূৱন পাহাৰৰ শিৰ মন্দিৰলৈ, হেম্পিউপেট শৃংগৰ পৰা জাতিংগালৈ আৰু শোণিপুৰৰ অগ্নিগড়ৰ ৰুজ্জুপথ নিৰ্মাণ কৰা হ'ব। তেওঁ কয় যে কোনো চৰকাৰী কৰ্মচাৰী বহুবিবাহত আবদ্ধ হ'লে চাকৰিৰ পৰা বৰ্খাস্ত হ'ব আৰু ভৱিষ্যতে কোনো চাকৰিত আবেদন কৰিব নোৱাৰিব। ৰাজ্যত উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তন হোৱা বাবে এই সিদ্ধান্তও সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য হ'ব। সেনাবাহিনীৰ পৰা অৱসৰপ্ৰাপ্ত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীয়ে ৰাজ্য চৰকাৰৰ চাকৰি ৪৫ বছৰ বয়সলৈ আবেদন কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। ড০ শৰ্মাই কয় যে ৰাজ্যত এইবাৰ ৮ লাখ ৫০ হাজাৰ মেট্ৰিক টন ধান ক্ৰয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চৰকাৰে প্ৰতি কুইণ্টল ধান দুহেজাৰ ৬৪০ টকাত ক্ৰয় কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্রীগৰাকীয়ে কয় যে ৰাজ্যত ডিফেন্স উদ্যান নিৰ্মাণ কৰা হ'ব। সামৰিক বাহিনীৰ সহায় হ'ব পৰাকৈ ৬ হাজাৰ বিঘা ভূমিত এই উদ্যান নিৰ্মাণ কৰা হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে।

oooooooo

বুলেট ট্ৰেইন প্ৰকল্পৰ সম্প্ৰসাৰণৰ ফলত অসমৰ সৈতে দেশৰ অৰ্থনৈতিক, বাণিজ্যিক আৰু ঔদ্যোগিক কেন্দ্ৰসমূহৰ দূৰত্ব হ্ৰাস পাব বুলি মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গুৱাহাটীৰ বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত অনুষ্ঠিত ৰাজ্যিক বিজেপিৰ ক'ৰ সমিতিৰ বৈঠকৰ অন্তত মুখ্যমন্ত্রী ড০ শৰ্মাই সাংবাদিকৰ আগত আজি এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে এই প্ৰকল্পৰ ফলত ৰাজ্যৰ যুৱক-যুৱতীসকলৰ বাবে শিক্ষা, প্ৰশিক্ষণ আৰু কৰ্মসংস্থাপনৰ নতুন সুযোগৰ দ্বাৰ মুকলি হ'ব। মুখ্যমন্ত্রীগৰাকীয়ে কয় যে গুৱাহাটীলৈ প্ৰস্তাৰিত বুলেট ট্ৰেইন প্ৰকল্পৰ বাবে চিকেননেক হিচাপে পৰিচিত ঠেক শিলিগুৰি কৰিড'ৰ অতিক্ৰম কৰাৰ বাবে বিশেষ আভিযান্ত্রিক সমাধানৰ প্ৰয়োজন হ'ব। কেন্দ্ৰীয় চৰকাৰে বুলেট ট্ৰেইন প্ৰকল্পত অনুমোদন জনোৱাক আদৰণি জনাই ড০ শৰ্মাই কয় যে দ্ৰুতবেগী ৰে'ল নেটৱৰ্কৰ মানচিত্ৰত গুৱাহাটী চহৰৰ অন্তৰ্ভুক্তিৰ পৰিকল্পনা সঁচাকৈ গুৰুত্বপূৰ্ণ, কিন্তু এই প্ৰকল্পৰ কাৰিকৰী পৰিকল্পনা এতিয়া যুগুত কৰিবলৈ বাকী আছে।

বাইট (চি এম)

ooooo

খাদ্য সুৰক্ষা বিভাগে বিগত ১০ মাহত ৬০টা পনীৰৰ নমুনা সংগ্রহ কৰি বিশ্লেষণ কৰিছে আৰু ইয়াৰে ৭০ শতাংশ অর্থাৎ ৪১টা নমুনা খাদ্যৰ বাবে অনুপযোগী বুলি চিনাক্ত হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রী অশোক সিংহালে খাদ্যৰ মান বর্তাই ৰখাৰ বাবে গ্রহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰি আজি সংবাদ মাধ্যমৰ আগত এই কথা প্রকাশ কৰে। অনুপযোগী বুলি বিবেচিত পাঁচটা নমুনা স্বাস্থ্যৰ বাবে অত্যন্ত ক্ষতিকাৰক বুলি মন্ত্রীগৰাকীয়ে প্রকাশ কৰে। বিভাগে খাদ্য সুৰক্ষা আইন ২০০৬ৰ ৩২ নম্বৰ (ক) দফাৰ অধীনত এখন জাননী জাৰি কৰিছে বুলি উল্লেখ কৰি মন্ত্রীগৰাকীয়ে কয় যে এই জাননীত পনীৰৰ নামত পনীৰৰ দৰে অন্য সামগ্রী বিক্রী কৰিব নোৱাৰিব বুলি স্পষ্টভাৱে উল্লেখ কৰা হৈছে। তেওঁ কয় যে এনে সামগ্রী বিক্রী কৰাসকলক জৰিমনা বিহা হ'ব।

০০০০০০০

কোকৰাঝাৰ জিলাত ত্রাসৰ সৃষ্টি কৰা পশ্চিম বংগৰ পৰা অহা বাঘটো নিৰাপদভাৱে অচেতন কৰা হৈছে। অসম আৰু পশ্চিম বংগৰ বন বিষয়া আৰু পশু চিকিৎসা বিশেষজ্ঞৰ এটা যুটীয়া দলে আজি সন্ধিয়া গেলাগুৰি গাঁৱত বাঘটো অচেতন কৰে। ২০২৬ চনৰ ২ অক্টোবৰত পশ্চিম বংগৰ বক্সা ব্যাঘ্র সংৰক্ষিত বনাঞ্চলত এৰি দিয়া বাঘটো অলপতে সোণকোষ নদী অতিক্রম কৰি কোকৰাঝাৰত প্রবেশ কৰিছিল।

০০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া এদিনীয়া ক্রিকেট শৃংখলাৰ প্রথমখন খেল কাইলৈ অকলেণ্ডৰ ইডেন পার্কত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি কাইলৈ পুৱা চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে ২০২৭ চনত হ'বলগীয়া এদিনীয়া বিশ্বকাপ ক্রিকেট প্রতিযোগিতাৰ প্রাক্-ক্ষণত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ এই শৃংখলা গুৰুত্বপূর্ণ হিচাপে বিবেচিত হৈছে। উল্লেখযোগ্য যে এই প্রতিযোগিতাত ভাৰতৰ যশপ্রীত বুমৰা আৰু হার্দিক পাণ্ডিয়াই অংশগ্রহণ নকৰে। ইফালে, নিউজিলেণ্ডৰ ৰাশ্বিন ৰবীন্দ্র আৰু মার্ক ছেপমেনেও খেলখনত অংশগ্রহণ কৰিব নোৱাৰে।

০০০০০০

ঃঃ সমাপ্ত ঃঃ